# উত্তৰ লক্ষীমপুৰ চহৰত তিনিদিনীয়া জনগোষ্ঠীয় নাট সমাৰোহ



নাট সমাৰোহৰ দুখন নাটক ‘কমলাকুঁৱৰীৰ সাধু’ (বাওঁপিনে) আৰু ‘লালুকসোলা’ৰ দৃশ্য

যোৱা ২৩ ফেব্ৰুৱাৰিৰ পৰা ২৫ ফেব্ৰুৱাৰি, ২০২১ খ্ৰীষ্টাব্দ, তাৰিখলৈ উত্তৰ লক্ষীমপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উদ্‌যাপন উপলক্ষে সভাৰ ৰামধেনু উপ-সমিতিৰ উদ্যোগত আৰু অসম নাট্য সন্মিলন তথা সদৌ লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাৰ সহযোগত তিনিদিনীয়া জনগোষ্ঠীয় নাট সমাৰোহ অনুষ্ঠিত হয়।

২৩ ফেব্ৰুৱাৰি তাৰিখে সন্ধিয়া এই নাট সমাৰোহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। ইয়াৰ পিছত, ছফি আহমেদ আৰু হেমেন্দ্ৰ কুমাৰ গগৈ সোঁৱৰণি সেই বিশেষ নাট্য সন্ধিয়াত প্ৰথমে গুৱাহাটীৰ মুক্তি নাট্যগোষ্ঠীৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত, ড° পৰমানন্দ ৰাজবংশী ৰচিত আৰু মানিক আহমেদ পৰিচালিত নাট ‘কমলাকুঁৱৰী সাধু’ মঞ্চস্থ হয়। সেই সন্ধিয়া মঞ্চস্থ হোৱা আনখন নাটক আছিল ড° কুলধৰ শইকীয়া ৰচিত, উপকূল বৰদলৈ পৰিচালিত আৰু ৰঙ্গমঞ্চ নাট্যগোষ্ঠীৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত ‘লালুকসোলা’।

নাট সমাৰোহৰ দ্বিতীয় সন্ধিয়াতো দুখন নাট মঞ্চস্থ হয়। ইয়াৰে প্ৰথমখন পদ্মনাথ গোহাঞিবৰুৱা ৰচিত, ভূপেন শৰ্মা পৰিচালিত আৰু তেজপুৰৰ বাণ থিয়েটাৰৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত ‘টেটোন তামুলী’। সন্ধিয়াৰ দ্বিতীয়খন নাটক ‘মুল্লাঙী য়গ্নপী ইকাং’ (মিচিং, ৰচনা-পৰিচালনা - দিবাকৰ পেগু) পৰিৱেশন কৰে গোগামুখৰ দুমীৰ নাট্যগোষ্ঠীৰ শিল্পীসকলে।

শেষ সন্ধিয়াত মুঠ তিনিখন নাটক মঞ্চস্থ হয়। প্ৰথমখন ৰঙ্মুক্ নাট্যগোষ্ঠীৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত ৰাভা নাটক ‘আফে তৰা’ (ৰচনা-পৰিচালনা - সুদৰ্শন ৰাভা)। দ্বিতীয়খন নাটক ‘মই কোন’ (ৰচনা - বাবুল ভূঞা, পৰিচালনা - কৃষ্ণ ভূঞা) পৰিৱেশন কৰে লক্ষীমপুৰৰ ৰঙ্গভূমি গোষ্ঠীৰ শিল্পীসকলে। নাট সমাৰোহৰ শেষ নাট ‘পিকিতি কাল আতিগু’ (দেউৰী, ৰচনা-পৰিচালনা - দীপক দেউৰী) পৰিৱেশিত হয় বিহপুৰীয়াৰ আদৰ্শ যুৱক সংঘৰ শিল্পীসকলৰ দ্বাৰা।

এই নাট সমাৰোহ উপলক্ষে এলানি আলোচনা সত্ৰ অনুষ্ঠিত হয়। প্ৰথমদিনা লক্ষীমপুৰ চেণ্ট্ৰেল কলেজত আয়োজিত এক আলোচনাত ড° সঞ্জীৱকুমাৰ শৰ্মাই অসমীয়া নাটকৰ পৰম্পৰাৰ প্ৰসংগত নাটকৰ বুৰঞ্জীৰ ওপৰত আলোকপাত কৰে। আলোচনাত ভাগ লোৱা আন তিনিগৰাকী বিশিষ্ট ব্যক্তি আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ গোলাপ শৰ্মা বৰুৱা, নাট্যকাৰ-পৰিচালক নাজিম আহমেদ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ড° হেমন্তকুমাৰ বৰুৱা। অনুষ্ঠানত সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মা বিশেষ অতিথিৰূপে উপস্থিত আছিল। সেইদিনা পিছবেলা অনুষ্ঠিত আন এক আলোচনা সত্ৰত ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত সংগীত শিল্পী, গায়িকা তৰালী শৰ্মাই নাটক আৰু সংগীত সম্পৰ্কে বক্তৃতা আগবঢ়ায়। ড° সুৰজিত ভূঞাই আঁত ধৰা এই আলোচনাৰ অন্যতম বক্তা ড° সঞ্জীৱকুমাৰ শৰ্মাই অসমীয়া নাট্য পৰম্পৰা সম্বন্ধে বক্তব্য প্ৰদান কৰে।

দ্বিতীয় দিনা আধুনিক অসমীয়া নাটকৰ বিভিন্ন দিশ আলোচিত হোৱা আন এখন আলোচনা সত্ৰত অংশগ্ৰহণ কৰে সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাস, নাট্যকাৰ-পৰিচালক নাজিম আহমেদ, মানিক আহমেদ আদিয়ে। সেইদিনা লক্ষীমপুৰ ছোৱালী কলেজত আয়োজিত এক বক্তৃতানুষ্ঠানত সভাপতি ড° কুলধৰ শইকীয়াই ছাত্ৰীসকলক উদ্দেশি এক সাৰুৱা ভাষণ প্ৰদান কৰে।

তৃতীয় দিনা আয়োজিত আলোচনা সত্ৰৰ মূল বক্তা আছিল ধুবুৰী মহাবিদ্যালয়ৰ অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মা। ড° শৰ্মাই অসমীয়া লোক নাট্যৰ বিভিন্ন দিশ সম্বন্ধে এক গৱেষণা প্ৰসূত ভাষণ আগবঢ়ায়।

০০০০